
Chapter 3

0335CH03

# উৎসৱ উদযাপন উৎসৱসমূহ



## ফুলৰ উৎসৱ



© NCERT not to be republished

মোৰ নাম ঋষি।

মই জম্মুৰ। মই মোৰ পিতৃ-মাতৃৰ সৈতে হিমালয়লৈ যাত্ৰা কৰি আছো। আমি মোৰ মামা (মাৰ ভায়েক), মামী (মামাৰ পত্নী) আৰু মোৰ সম্পৰ্কীয় ভাই-ভনী চিয়া আৰু নোনিকাৰ ঘৰলৈ গৈ আছো। তেওঁলোক পাহাৰৰ ওচৰৰ এখন সৰু গাঁৱত বাস কৰে। আমি বাছত গৈ আছোঁ। মই বাছ যাত্ৰা উপভোগ কৰিছো আৰু খিৰিকীৰ বাহিৰৰ দৃশ্য অতি মনোমহা। পথবোৰত হেয়াৰপিন পাক আছে আৰু পাহাৰবোৰ ৰঙীন ফুলেৰে আবৃত হৈ আছে। দূৰত, মই বিভিন্ন ধৰণৰ ওখ গছও দেখিবলৈ পাইছো।




## Discuss

- তুমি কেতিয়াবা বাছত যাত্ৰা কৰিছা নে? যদি কৰিছা, তেন্তে তোমাৰ সহপাঠীসকলৰ সৈতে এই অভিজ্ঞতা আলোচনা কৰা।
- তোমাৰ ভ্ৰমণৰ সময়ত তুমি কি ধৰণৰ গছ আৰু ফুল দেখিছিলা?
- ভ্ৰমণৰ সময়ত তুমি কি কি সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰিব লাগে?
- চাইকেল চলোৱাৰ সময়ত আৰু পথত খোজ কাঢ়ি যোৱাৰ সময়ত তুমি কি কি সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা উচিত?



© NCERT not to be republished

## Activity 1

স্তম্ভ A-ৰ ছাইনব'ৰ্ডবোৰ স্তম্ভ B-ৰ অৰ্থৰ সৈতে মিলোওৱা।

**A স্তম্ভ**




**B স্তম্ভ**

- পাৰ্কিং নাই
- হৰ্ণ নবজাব
- গতি ভঙ্গকাৰী
- ইউ-টাৰ্ণ নাই
- কামত চলি আছে
- আগত বিদ্যালয় আছে

## Draw

তুমি হয়তো ৰাস্তাত বহুতো ছাইনব'ৰ্ড লক্ষ্য কৰিছা। ওপৰত তালিকাভুক্ত নোহোৱা যিকোনো তিনিটা পথৰ ছাইনব'ৰ্ড আঁকা আৰু লেবেল কৰা।






© NCERT not to be republished




কিছু সময়ৰ পিছত, আমি মোৰ মামা আৰু মামীৰ গাঁৱৰ ওচৰৰ বাছ ষ্ট'পত উপস্থিত হ'লো। আমি বাছৰ পৰা নামি আহিলো। মামায়ে আমাক আনিবলৈ আহিছিল। আমি এটা বহল কংক্রিটৰ পথত আৰম্ভ কৰিছিলো যিটো পিছলৈ তেওঁলোকৰ ঘৰৰ ওচৰত এটা ঠেক বোকা পথলৈ গৈছিল।

আমি প্ৰৱেশ কৰাৰ লগে লগে, মই তেওঁলোকৰ বাগিচাত ৰঙীন ফুলৰ শাৰী দেখিছিলোঁ। মই ইয়াৰ ভিতৰত গোলাপ, নাৰ্জী আৰু জবাফুল চিনাক্ত কৰি নাম ক'ব পাৰিলো। অৱশ্যে, মই ফুলবোৰৰ সৌন্দৰ্য দেখি আচৰিত হৈছিলো যিটো মই আগতে দেখা বস্তুৰ পৰা পৃথক আছিল।

"অনুগ্ৰহ কৰি মোক এই ফুলবোৰৰ নাম ক'ব পাৰিবানে?" মই নোনিকাক সুধিলো।



© NCERT not to be republished



ফুল এপাহলৈ আঙুলিয়াই, নোনিকাই ক'লে, "এইপাহ ফুলৰ নাম টিউলিপ।"

মামীয়ে তাৰ পিছত ল'ৰা ছোৱালীবোৰক দুপৰীয়াৰ আহাৰৰ বাবে মাতিছিল।

তেওঁলোক সকলোৱে গৰম ভাতৰ সৈতে কাশ্মীৰী খাদ্য হাখ (এক প্ৰকাৰৰ পাচলি) খাইছিল। ই সঁচাকৈয়ে সুস্বাদু আছিল!

"আপুনি জানেনে বছৰটোৰ এই সময়ত আমাৰ কাশ্মীৰত টিউলিপ উৎসৱ পাতে?" দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ সময়ত নোনিকাই ক'লে।

"আমাৰ ওচৰত ধুনীয়া ৰঙা ফুল আছে যি বোৰ আমাৰ ঠাইত বসন্তকালত ফুলে। যাক বুৰাঞ্চ (ৰডোডেনড্ৰন)" বুলি কোৱা হয়। মই ক'লো।

মই চিয়া আৰু নোনিকাক আমাৰ ঠাইত উদযাপন কৰা বসন্ত উৎসৱৰ বিষয়ে কৈছিলো। মই তেওঁলোকৰ ক'লো যে আমি কেনেকৈ আমাৰ চুবুৰীয়াৰ প্ৰতিটো ঘৰৰ দুৱাৰত সৰিয়হ আৰু বুৰাঞ্চ ফুল থৈ দিওঁ। বয়োজ্যেষ্ঠসকলে আমাক আশীৰ্বাদ দিয়ে আৰু লগতে মৰ্টন আৰু মিঠাইও দিয়ে।

© NCERT not to be republished



চিয়াই উৎসাহেৰে ক'লে," কেৰালাৰ মোৰ বন্ধু উন্নীয়ে এই সময়ত বিশু নামৰ এক উৎসৱ উদযাপন কৰে। তেওঁলোকে বিশু কানি* তৈয়াৰ কৰিবলৈ বহুতো হালধীয়া ফুল, ফল আৰু শাক-পাচলি ব্যৱহাৰ কৰে।



মামীয়ে তাত যোগদান কৰি ক'লে," বসন্ত হৈছে প্ৰকৃতিৰ এক উদযাপন। শীতকালৰ পিছত, সূৰ্য উজ্জ্বলভাৱে জিলিকি উঠে আৰু আমি আমাৰ চাৰিওফালে ফুল ফুলি থকা, ঘাঁহ গজা আৰু গছবোৰত নতুন পাত দেখা পাওঁ।"



মই মামী, চিয়া আৰু নোনিকাৰ সৈতে মোৰ চাৰিওফালে থকা সুন্দৰ আৰু ৰঙীন ফুলবোৰ দেখি কিমান সুখী অনুভৱ কৰোঁ সেই বিষয়ে অৱগত কৰিলো।

কেইদিনমানৰ পিছত আমি ঘৰলৈ উভতি আহিলো। এইটো এটা সুন্দৰ ছুটী আছিল আৰু পৰিয়ালৰ সৈতে সময় অতিবাহিত কৰিলো!

© NCERT not to be republished

*বিশু কানি হৈছে মালয়ালী নৱবৰ্ষৰ প্ৰথম দিনটোত পালন কৰা এক শুভ অনুষ্ঠান। সূৰ্যোদয়ৰ সময়ত শুভ বস্তু দেখাৰ ফলত আগন্তুক বছৰটো ফলপ্ৰসূ আৰু সমৃদ্ধিশালী হ'ব বুলি বিশ্বাস কৰা হয়।



## Activity 2

গান গোৱা আৰু উপভোগ কৰা!



অ'হ! বসন্তৰ মিঠা সুবাস বিয়পিছে,
আনন্দত মগ্ন শিশুয়ে হাঁহিছে,
নতুন পাতে সজিছে গছৰ ডাল,
ফুলবোৰ নাচিছে মধুৰ বতাহত।


ৰ'দে পোহৰ বিয়পালে আকাশত,
চৰাই আৰু কেৰ্কেটুৱা, উলাহতে নাচিছে,
বসন্ত পালেহি, নাচি গান গাওঁ আহা,
বসন্তই আনিব সকলোৰে বাবে আশা আৰু উল্লাস।



## Write

- তোমাৰ জ্যেষ্ঠসকলক তলত দিয়া প্ৰতিটো ঋতুৰ বাবে তোমাৰ অঞ্চলত উদযাপন কৰা উৎসৱৰ নামৰ বিষয়ে সোধা।
- এই উৎসৱসমূহৰ সময়ত প্ৰস্তুত কৰা বিশেষ খাদ্যৰ এখন তালিকা প্ৰস্তুত কৰা।

| ঋতু | উৎসৱসমূহ | প্ৰস্তুত কৰা বিশেষ খাদ্য |
|---|---|---|
| বসন্ত | | |
| গ্ৰীষ্মকাল | | |
| মৌচুমী | | |
| শীত | | |



© NCERT not to be republished

৩. উৎসৱৰ সময়ত তুমি কি বিশেষ কাপোৰ পিন্ধা?








______________________________

______________________________


## Activity 3

তলত দিয়া তালিকাৰ পৰা উৎসৱৰ সৈতে খাদ্যৰ নাম মিলোওৱা।

| | | | |
|---|---|---|---|
| বিহু | ছট পূজা | বৰদিন | ঈদ-উল-ফিতৰ |
| হোলী | ওনাম | উগাদি | |

| উৎসৱৰ সময়ত প্ৰস্তুত কৰা খাদ্য | | উৎসৱৰ নাম |
|---|---|---|
|  | থেকুৱা | ছট পূজা |
|  | পিঠা | ______ |
|  | প্লাম কেক | ______ |
|  | গুজিয়া | ______ |
|  | সাদিয়া | ______ |
|  | হোলিজ | ______ |
|  | চেভিয়ান | ______ |

© NCERT not to be republished






- সকলোৱে বিভিন্ন ধৰণৰ বিশেষ খাদ্য আৰু নতুন কাপোৰৰ পিন্ধি উৎসৱ উদযাপন কৰে বুলি তুমি ভাবানে?
- তুমি বাস কৰা ঠাইখনৰ ওচৰতে কোনো পৰ্বত, নদী বা জলধাৰা আছে নেকি? তুমি কেতিয়াবা দূৰৈৰ কোনো ঠাইত আত্মীয়ৰ ওচৰলৈ গৈছা নেকি? তাত কেনেকুৱা অনুভৱ হয়?

## প্ৰতিফলিত কৰোঁ আহা

### ক. আলোচনা কৰা

1. ভ্ৰমণৰ সময়ত ব্যৱহৃত পৰিবহণ সমূহ কি কি?
2. ভ্ৰমণৰ সময়ত কেনেকৈ সুৰক্ষিত থাকিব পাৰি?
3. উৎসৱৰ সময়ত কি বিশেষ খাদ্য প্ৰস্তুত কৰা হয়?
4. উৎসৱ আৰু উদযাপনসমূহে আমাক কেনেদৰে একত্ৰিত কৰে?
5. তুমি প্ৰকৃতিত সময় কটাবলৈ পাই সুখী অনুভৱ কৰা নে? প্ৰকৃতিয়ে তোমাক কেনেকৈ সুখী কৰি তোলে?

### খ. লিখা

1. তুমি শেহতীয়াকৈ ভ্ৰমণ কৰা যিকোনো দুজন আত্মীয়ৰ নাম লিখা।
2. তুমি তোমাৰ সম্পৰ্কীয় ভাই-ভনী আৰু আত্মীয়সকলৰ সৈতে কেনেদৰে সময় অতিবাহিত কৰা?

### খালী ঠাই পূৰণ কৰা

1. চিয়া আৰু নোনিকা ______________ ওচৰৰ এখন সৰু গাঁৱত বাস কৰে।
2. বাছখন______________ ৰাস্তাৰ মাজেৰে গৈছিল য'ত পাহাৰবোৰ ৰঙীন ফুলেৰে আবৃত আছিল।
3. ঋষি আৰু তেওঁৰ পৰিয়ালে ______________ ঠেক পথৰ মাজেৰে মামাকৰ ঘৰলৈ খোজ কাঢ়ি গৈছিল।

© NCERT not to be republished



4. বসন্তকালত ফুলি উঠা ৰঙা ফুলবোৰক ______________ বুলি কোৱা হয়।

5. ______________ এক প্ৰকাৰৰ শাকৰ সৈতে খোৱা গৰম ভাত।

## গ. আঁকা

এখন চাৰ্ট কাগজ লোৱা আৰু নিম্নলিখিতসমূহৰ বাবে ছাইনব'ৰ্ড আঁকা। ছাইনব'ৰ্ড তৈয়াৰ কৰিবলৈ তুমি তোমাৰ পচন্দৰ যিকোনো ছবি আৰু ৰং ব্যৱহাৰ কৰিব পাৰা। তুমি কি সৃষ্টি কৰিছা ব্যাখ্যা কৰা।

- বিদ্যালয়ৰ পুথিভঁৰাল
- শৌচালয়
- বিদ্যালয় সমাৱেশ
- খোৱা পানীৰ ঠাই
- খেলপথাৰ
- মোৰ শ্ৰেণীকোঠা
- চিৰি

**উপভোগ কৰা!**

© NCERT not to be republished

**Do you know?**

পৃথিৱীৰ আটাইতকৈ ৰাজকীয় পৰ্বতবোৰ ভাৰতৰ উত্তৰ অঞ্চলত অৱস্থিত আৰু ইয়াক **হিমালয়** (অৰ্থাৎ 'বৰফৰ বাসস্থান') বুলি কোৱা হয়। বিশ্বৰ সৰ্বোচ্চ পৰ্বত শৃংগ হৈছে **মাউণ্ট এভাৰেষ্ট** আৰু ই আমাৰ চুবুৰীয়া দেশ নেপালত অৱস্থিত। মাউণ্ট এভাৰেষ্টৰ উচ্চতা প্ৰায় ৮,৮৪৮ মিটাৰ!




Do you know?

## সৰহুলঃ এক বসন্ত উৎসৱ

ঝাৰখণ্ডত বছৰৰ বসন্ত ঋতুতো সৰহুল উৎসৱ উদযাপন কৰা হয়। মানুহে তেওঁলোকৰ পৰম্পৰাগত কাপোৰ পিন্ধে আৰু সাখুৱা গছৰ পৰা শোভাযাত্রাত খোজ কাঢ়ে। তেওঁলোকে সতেজ অংকুৰিত শস্য আৰু ছখুৱা ফুল নিয়ে। পৃথিৱী আৰু সূৰ্যলৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰে নৈবেদ্য আগবঢ়োৱা হয়। তেওঁলোকে ঢোল (ঢোল, নগাড়া ইত্যাদি) আৰু অন্যান্য স্থানীয় বাদ্যযন্ত্ৰৰ সুৰত একেলগে গাই আৰু নৃত্য কৰি সৰহুল উদযাপন কৰে।









NCERT not to be republished